... বৃদ্ধি পাইছে।

প্রাক্‌কলন বা আনুমানিক ব্যয় সমিতি
(Estimate Committee)

১৯১২ চনতেই ইংলেণ্ডত স্থাপন কৰা প্রাক্‌কলন সমিতিৰ আৰ্হিত ভাৰতবৰ্ষত স্বাধীনতা লাভৰ পিছত ১৯৫০ চনত প্রথম বাৰৰ কাৰণে এখন আনুমানিক ব্যয় সমিতি গঠন কৰা হৈছিল আৰু ১৯৫৩ চনত এই সমিতিখনৰ কার্যক্ষেত্রৰ পৰিসৰ সম্প্রসাৰণ কৰা হৈছিল। চৰকাৰী আঁচনিসমূহৰ কার্যসমূহত মিতব্যয়িতা কেনেকৈ কার্যকৰী কৰিব পাৰি তাক বিবেচনা কৰাৰ উদ্দেশ্যেৰেই আনুমানিক ব্যয় সমিতিখন গঠন কৰা হৈছিল।

আনুমানিক ব্যয় সমিতি গঠন (Composition of Estimate Committee): প্রাক্‌কলন সমিতিখন আৰম্ভণিতে ২৫ জন সদস্যৰে গঠন কৰা হৈছিল। ১৯৫৬ চনত অতিৰিক্ত ৫ জন সদস্যৰ অন্তর্ভুক্তিৰ ব্যৱস্থা কৰাৰ ফলত ইয়াৰ সদস্য সংখ্যা বর্তমান ৩০ জন হৈছে। ইয়াৰে ২০ জন সদস্য লোকসভা আৰু ১০ জন সদস্য ৰাজ্যসভাৰ পৰা লোৱা হয়। সদস্যসকলক আনুপাতিক প্রতিনিধিত্বমূলক একক হস্তান্তৰযোগ্য ভোটদানেৰে নির্বাচন কৰা হয়। কোনো মন্ত্রী এই সমিতিখনৰ সদস্য হ'ব নোৱাৰে।

সমিতিখনৰ সদস্যসকলৰ মাজৰ পৰা এজন সদস্যক লোকসভাৰ অধ্যক্ষই সভাপতি হিচাপে নিযুক্তি দিয়ে। লোকসভাৰ উপাধ্যক্ষ যদি সমিতিখনৰ সদস্যভুক্ত হয় তেওঁ সমিতিখনৰ অধ্যক্ষৰ পদত অধিষ্ঠিত হ'ব পাৰে।

কার্যকাল (Tenure): প্রাক্‌কলন সমিতিৰ সদস্যসকলৰ কার্যকাল এবছৰ যদিও সকলো সদস্যই এবছৰৰ অন্তত এবছৰৰ পাছত অৱসৰ গ্রহণ নকৰে। সদস্যসকলৰ ভিতৰত এক তৃতীয়াংশ সদস্যই প্রতিবছৰে অৱসৰ লোৱাৰ বিধান আছে।

প্রাক্‌কলন সমিতিখনৰ কার্যাৱলী (Functions of Estimate Committee): প্রাক্‌কলন সমিতিৰ প্রধান কার্যসমূহ হ'ল—

(১) মিতব্যয়িতাৰে চৰকাৰী আঁচনিসমূহ কেনেকৈ ফলপ্রসূ কৰি তুলিব পাৰি সেই সম্পর্কে পৰামর্শ প্রদান কৰা ইয়াৰ এক মুখ্য কার্য।

(২) প্রশাসনীয় ব্যৱস্থাৰ দক্ষতাৰ সম্পর্কত পৰামর্শ আগবঢ়োৱাটোও ইয়াৰ এক অন্যতম কার্য।

(৩) লোকসভাৰ বাজেট সম্পর্কীয় অধিবেশনৰ উত্থাপিত দাবীসমূহৰ পর্যালোচনা কৰা।

(৪) এই সমিতিৰ অধীনত উপসমিতি গঠন কৰাটো ইয়াৰ অন্য এক কার্য।

(৫) উপসমিতিৰ প্রতিবেদনৰ ওপৰত ভিত্তি কৰি এই সমিতিখনে লোকসভাত এখন সম্পূর্ণ প্রতিবেদন যুগুত কৰি উত্থাপন কৰে।

(৬) বিভিন্ন চৰকাৰী বিভাগসমূহৰ আনুমানিক বা সাম্ভাব্য ব্যয় সম্পৰ্কীয় দিশসমূহক পুংখানুপুংখকৈ পৰ্যালোচনা কৰা।

প্ৰাক্‌কলন সমিতিখনৰ কৰ্মপদ্ধতি (Working Procedure of Estimate Committee): আনুমানিক ব্যয় সমিতিয়ে ইয়াৰ অধীনস্থ উপ-সমিতি গঠন কৰি বিভিন্ন প্ৰশাসনীয় বিভাগসমূহৰ আনুমানিক ব্যয়ৰ বিষয়ত অনুসন্ধান কৰিব পাৰে। আনুমানিক ব্যয় সমিতিখন প্ৰতি বছৰে জুন মাহত গঠন কৰা হয় আৰু জুলাই মাহৰ পৰা ই কাৰ্যকৰী হৈ পৰে।

এই সমিতিখনে সকলোবোৰ বিভাগৰ সকলোবিলাক ব্যয় কাৰ্যক পৰীক্ষা নকৰে। এই সমিতিখন কিছুমান বিভাগৰ বাৰ্ষিক কাৰ্যসমূহক এক হ্ৰস্বম্যাদী সময়ৰ ভিতৰত পৰীক্ষা কৰাৰ সৈতেহে জড়িত। এই সমিতিখন বিশেষকৈ ব্যয় সংকোচন আৰু নিয়ন্ত্ৰণ কাৰ্যৰ সৈতেহে সংলগ্ন। সমিতিখন গঠন হোৱাৰ পাছতে সমিতিখনে বছৰটোত কোনবিলাক আঁচনি পৰীক্ষণ কাৰ্যৰ সৈতে জড়িত থাকিব সেই বিষয়ে এক সিদ্ধান্তত উপনীত হয়। সিদ্ধান্ত গ্ৰহণৰ পিছতে ই আঁচনিসমূহৰ বাবে প্ৰয়োজনীয় তথ্যসমূহ সংগ্ৰহ কৰি সমিতিখনৰ সদস্যসকলৰ মাজত বিতৰণ কৰি দিয়া হয়। সমিতিখনে প্ৰয়োজন সাপেক্ষে বিভাগীয় মন্ত্ৰীসকলৰ পৰা আনুসংগিক তথ্য বিচাৰিবও পাৰে আৰু আনুসংগিক তথ্য সম্বলিত বিষয়সমূহ সমিতিখনৰ মাজত আলোচনা কৰি এখন প্ৰতিবেদন প্ৰস্তুত কৰে। উক্ত প্ৰতিবেদনখন সমিতিখনে সংশ্লিষ্ট মন্ত্ৰণালয়লৈ পৰামৰ্শ বিচাৰি পঠিয়ায়। সংশ্লিষ্ট মন্ত্ৰনালয়ে উক্ত প্ৰতিবেদনখন চালি জাৰি চাই ভূল-ত্ৰুটি সমূহ আঙুলিয়াই দিয়ে আৰু নতুন তথ্য সম্বলিত বিষয় সংযোগ কৰিবলগীয়া হ'লে সেই সম্পৰ্কে পৰামৰ্শ আগবঢ়াই উক্ত তথ্য পাতি যোগান ধৰিব পাৰে। ইয়াৰ পাছতেই সমিতিখনে প্ৰতিবেদন এখন প্ৰস্তুত কৰি সদনত দাখিল কৰাৰ নিয়ম। সদনত বাজেটৰ ওপৰত দাবী মঞ্জুৰী আলোচনাত এই সমিতিৰ প্ৰতিবেদনখনে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে। যদি উক্ত সমিতিখনৰ প্ৰতিবেদনৰ কোনো অংশত জটিলতাই দেখা দিয়ে তেন্তে সেই পুনৰ বিবেচনাৰ বাবে সমিতিখনক অনুৰোধ জনাব পাৰে। কিন্তু সমিতিখনে যদি ইয়াক সংশোধন কৰিবলৈ অমান্তি হয় বা নিজৰ পূৰ্বৰ সিদ্ধান্ত বা মন্তব্যত অটুত থাকে তেন্তে সেই সম্পৰ্কত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰাৰ কাৰ্য লোকসভাৰ হাতত ন্যস্ত কৰা হৈছে।